জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৬৬/২০২০

# ক’ভিড সৃষ্ট পৰিস্থিতিত ক’ভিড প্ৰট’কল মানি চলি দেশৰ ভিতৰতে প্ৰথম আয়োজিত প্ৰাইজমানি এথ্‌লেটিকছ্‌ প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ক’ভিড সৃষ্ট জটিল সময়ত আয়োজিত এই প্ৰতিযোগিতাখনে সমগ্ৰ ভাৰতবৰ্ষতে এক দৃষ্টান্তমূলক উদাহৰণ দাঙি ধৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ জজ খেলপথাৰত অসম এথ্‌লেটিকছ্‌ সন্থা, অসম অলিম্পিক সন্থা, ক্ৰীড়া সঞ্চালকালয় আৰু অসম ক্ৰীড়া প্ৰাধিকৰণৰ দ্বাৰা যুটীয়াভাৱে আয়োজিত আমন্ত্ৰণীমূলক প্ৰাইজমানি এথ্‌লেটিকছ্‌ প্ৰতিযোগিতাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে ক’ভিড-১৯ সৃষ্ট এই জটিল সময়ত ক’ভিড প্ৰট’কল সম্পূৰ্ণৰূপে মানি চলি ভাৰতবৰ্ষৰ ভিতৰত অনুষ্ঠিত কৰা এইখনেই হ’ল এনেধৰণৰ প্ৰথম ক্ৰীড়া প্ৰতিযোগিতা। উল্লেখ্য যে এই প্ৰাইজমানি এথ্‌লেটিকছ্‌ প্ৰতিযোগিতাত ৰাজ্যখনৰ ৩১ খন জিলাৰ ১৩২ গৰাকী এথ্‌লিটে ৫ টা ইভেন্টৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হ’ব। প্ৰতিযোগিতাখনৰ ৫ টা ইভেন্টৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা এথ্‌লিটসকললৈ ক্ৰমে ১০ হাজাৰ, ৬ হাজাৰ আৰু ৪ হাজাৰ টকাৰ প্ৰাইজমানি আগবঢ়োৱা হ’ব।

প্ৰতিযোগিতাখন উদ্বোধনৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে গান্ধী জয়ন্তীৰ এই পৱিত্ৰক্ষণত জাতিৰ পিতা গৰাকীৰ প্ৰতিচ্ছৱিত পুষ্পাঞ্জলি অৰ্পণেৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰতিযোগিতখন উদ্বোধন কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে খেলুৱৈসকল হ’ল তেজস্বী ব্যক্তিত্বৰ প্ৰতীক। ক’ভিড-১৯ সৃষ্ট এই জটিল পৰিস্থিতিত স্বাস্থ্য বিভাগৰ দ্বাৰা ধাৰ্য কৰা সকলো নীতি-নিয়ম পালনেৰে প্ৰতিযোগিতাখনত ভাগ ল’বলৈ অহা খেলুৱৈসকলে সমগ্ৰ ভাৰতবৰ্ষৰ ক্ৰীড়া জগত তথা খেলুৱৈসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰিব বুলি কয়। ইমান দিনে স্তব্ধ হৈ থকা ক্ৰীড়াৰ বাতাবৰণ এই প্ৰতিযোগিতাখনে উজ্জীৱিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। এই প্ৰতিযোগিতাখনে স্বাস্থ্য বিধি মানি চলি কেনেদৰে খেল অনুষ্ঠিত কৰিব লাগে তাৰ এক বলিষ্ঠ উদাহৰণ দাঙি ধৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সাংবাদিকসকলক এই প্ৰতিযোগিতখনৰ বিষয়ে ভালদৰে প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায় যাতে গাঁৱে-ভূঞে ইয়াৰ এক সৰল বাৰ্তা প্ৰেৰণ কৰিব পৰা যায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ‘খেলো ইণ্ডিয়া’, ‘ফিট ইণ্ডিয়া’ ইত্যাদি পদক্ষেপেৰে উঠি অহা প্ৰজন্মৰ লগতে সমগ্ৰ দেশবাসীকে ক্ৰীড়াৰ জৰিয়তে স্বাস্থ্য ৰক্ষাৰ দিশত এক শক্তিশালী চেতনা প্ৰদান কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি ক্ৰীড়াৰ যোগেদি নিজৰ ভৱিষ্যত গঢ়ি দেশ-বিদেশৰ পৰা সন্মান বুটলি অনাৰ প্ৰয়াস চলাবলৈও নৱ প্ৰজন্মৰ ক্ৰীড়াবিদসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

জনায়। ৰাজ্যখনৰ ক্ৰীড়া ক্ষেত্ৰখনক উজ্জীৱিত কৰাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ৰাজ্যিক ক্ৰীড়া নীতি গ্ৰহণ কৰি খেলুৱৈসকলে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক লাভ কৰিলে বিভিন্ন প্ৰকাৰে পুৰস্কৃত কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ ফলশ্ৰুতিত ৰাজ্যখনত ক্ৰীড়াৰ এক অনুকূল বাতাবৰণ সৃষ্টি হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত অসমৰ বিভিন্ন স্থানত ২০ ৰ পৰা ২৫ লাখ টকা ব্যয়ৰে ৫০০ খন খেলপথাৰৰ আধুনিকীকৰণৰ কামেও বিশেষ অগ্ৰগতি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে বহু সংখ্যক ক্ৰীড়া আন্তঃগাঁথনি সৃষ্টি কৰাৰ পদক্ষেপ লোৱাৰ উপৰি মুখ্যমন্ত্ৰীৰ আন্তঃ চাহ বাগিচা কাপ ফুটবল প্ৰতিযোগিতাৰ দৰে শক্তিশালী পদক্ষেপ লৈছে বুলি তেওঁ কয়। ক্ৰীড়াৰ উত্তৰণৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ ফলশ্ৰুতিত নৱ প্ৰজন্মই ক্ৰীড়াৰ প্ৰতি যথেষ্ট আকৃষ্ট হৈছে বুলিও তেওঁ কয়। সমগ্ৰ ভাৰতবৰ্ষতে আজিৰ এই প্ৰতিযোগিতাখনে এক দৃষ্টান্তমূলক উদাহৰণ দাঙি ধৰিব বুলি উল্লেখ কৰি আজিৰ দিনটোক অসমৰ ক্ৰীড়াংগনৰ বাবে এক উল্লেখযোগ্য দিন বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুৱে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই উদ্বোধনী অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক তথা ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱকল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰেও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত ৰাজ্য সভাৰ সাংসদ ভূৱনেশ্বৰ কলিতা, গুৱাহাটী লোক সভা সমষ্টিৰ সাংসদ কুইন ওজা, বিধায়ক ঋতুপৰ্ণ বৰুৱা, স্পৰ্ষ্টছ অথ'ৰিটি অৱ আচামৰ সঞ্চালক প্ৰধান ওমকাৰমল কেদিয়া, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক ধৰ্মকান্ত মিলি, প্ৰাক্তন প্ৰসিদ্ধ ফুটবল খেলুৱৈ গিলবাৰ্টচন চাংমা, প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় এথ্‌লিট তৈবুন নেছা, আন্তঃৰাষ্ট্ৰীয় এথ্‌লিট তুংলাই নাৰ্জাৰীকে ধৰি বহু সংখ্যক প্ৰসিদ্ধ ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক, ক্ৰীড়া সংস্থাৰ কৰ্ম-কৰ্তাই অংশ গ্ৰহণ কৰে।

**বঃভাঃ**
**২/১০/২০২০**